**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ৫৩৩**

**উত্তৰ দানৰ তাৰিখ : ২৪-০৭-২০২৬**

*বিষয়* : বাওখুংগ্ৰী LAC - ত Climate Resilient উন্নয়ন ।

**শ্ৰীৰূপম চন্দ্ৰ ৰয়, বিধায়ক :**

**মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**বাওখুংগ্ৰী LAC-ত জলবায়ু পৰিৱৰ্তনৰ সাম্ভাব্য প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি** Climate Resilient Development, Disaster Preparedness **আৰু** Sustainable Resource Management **সম্পৰ্কীয় কোনো বিশেষ পদক্ষেপ বা পৰিকল্পনা আছে নেকি ?**

**উত্তৰ:**

**পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :**

অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে সমষ্টি ভিত্তিক জলবায়ু স্থিতিস্থাপক উন্নয়ন, দুৰ্যোগৰ বাবে প্ৰস্তুতি আৰু বহনক্ষম সম্পদ ব্যৱস্থাপনাৰ সম্পৰ্কীয় কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। ৰাজ্যিক পৰ্যায়ত অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিখনে ভাৰতৰ ৰাষ্ট্ৰীয়ভাবে নিৰ্ধাৰিত সংকল্প (Nationally Determined Commitments), বহনক্ষম উন্নয়ন লক্ষ্য (Sustainable Development Goals) আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰাধান্যতা প্ৰদান কৰা বিষয়সমূহক সাঙুৰি অসম ৰাজ্যিক জলবায়ু পৰিবৰ্তন কাৰ্যকৰী পৰিকল্পনা (Assam State Action Plan on Climate Change, Version 2.0, 2021-2030) খনক ২০২১-২০৩০ বৰ্ষৰ বাবে সংশোধিত ৰূপত প্ৰস্তুত কৰিছে। সংশোধিত পৰিকল্পনাখনত কৃষি আৰু সংলগ্ন খণ্ড, শক্তি, জলসম্পদ, অৰণ্য আৰু জৈববৈচিত্ৰ, স্বাস্থ্য, নগৰীয়া আৰু গাঁৱলীয়া আৱাস, দুৰ্যোগ প্ৰশমন আৰু পৰিকল্পিত শিক্ষা ক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে।উপৰোক্ত ক্ষেত্ৰসমূহত জলবায়ু পৰিৱৰ্তন প্ৰশমন আৰু ইয়াৰ সৈতে অভিযোজন কৰাৰ বাবে সৰ্বমুঠ ৩৬ টা কৌশল অনুযায়ী ২১১ টা কৰ্মআঁচনি সন্নিৱিষ্ট কৰা হৈছে। সংশ্লিষ্ট বিভাগসমূহে বিভাগীয় কৰ্মসমূহ ৰূপায়ন কৰি আছে। অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে ৪৩ জন নোডেল বিষয়াৰ মাধ্যমেৰে এই আঁচনিসমূহৰ ৰূপায়ণৰ নিয়মীয়া নিৰীক্ষণ কৰি আছে।

****